
DAILY ASSAM

পাঠ - ৭

# আমাৰ সামাজিক অনুষ্ঠান

Q7J1V5



সিপিঠিৰ ছবিখন পৰ্যৱেক্ষণ কৰি লিখা-

— তাত ল'ৰা-ছোৱালীয়ে কি কৰি আছে?
— ল'ৰা-ছোৱালীবোৰে লিখা-পঢ়াৰ লগতে বিদ্যালয়ত আন কি কি কাম কৰে?
— বিদ্যালয়খনৰ চৌহদত কি কি গছ আছে?
— গছবোৰৰপৰা তেওঁলোকে কি কি সহায় পাইছে?
— তোমাৰ বিদ্যালয়খন পৰিষ্কাৰকৈ ৰাখিবৰ বাবে তোমালোকে কি কি কৰা?
— তোমালোকৰ বিদ্যালয়ত প্ৰস্ৰাৱঘৰ, শৌচাগাৰ আৰু খোৱাপানীৰ বাবে কি কি ব্যৱস্থা আছে?
— তোমাৰ বিদ্যালয়খনৰ লগত ছবিত দেখা বিদ্যালয়খনৰ কি কি মিল আৰু অমিল আছে?

- বিদ্যালয়ত লিখা-পঢ়াৰ উপৰি নাচ-গান, খেল-ধেমালি, তৰ্ক প্ৰতিযোগিতা আদি পতা হয়।
- নিজৰ ল'ৰা-ছোৱালীৰ বিভিন্ন দিশত হোৱা অগ্ৰগতিৰ বিষয়ে জনাবলৈ অভিভাৱকক বিদ্যালয়লৈ নিমন্ত্ৰণ কৰা হয়।
- বিদ্যালয়ৰ উন্নয়নৰ কাম, যেনে - ঘৰ-দুৱাৰ মেৰামতি কৰা, চৌহদত বেৰ দিয়া, খোৱা পানীৰ ব্যৱস্থা কৰা, শৌচাগাৰ আৰু প্ৰস্ৰাৱঘৰ নিৰ্মাণ কৰা আদি কামত ৰাইজে সহযোগ কৰিব পাৰে।

বিদ্যালয়ৰ উপৰি আমাৰ পৰিৱেশত আন বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান আছে। এই অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে আমাক বিভিন্ন ধৰণে সহায় কৰে। কেইটামান অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ে আলোচনা কৰোঁ আহা-


পুথিভঁৰাল

**পুথিভঁৰাল**


DAILY ASSAM

— কাষৰ ছবিখনত কি কি দেখিছা?
— ইয়াৰপৰা আমাৰ কি উপকাৰ হয়?
— তোমালোকৰ বিদ্যালয়ত পুথিভঁৰাল আছেনে?

**জানি লওঁ আহা-**

- পুথিভঁৰালৰপৰা কিতাপ আনি পঢ়াটো ভাল অভ্যাস।
- পুথিভঁৰালত থকা কিতাপ, আলোচনী আদি পঢ়ি বহুতো নজনা কথা জানিব পাৰি।
- পুথিভঁৰালৰপৰা কিতাপ অনা আৰু ঘূৰাই দিয়াৰ নিৰ্দিষ্ট নিয়ম থাকে।
- নিজৰ নিজৰ ঘৰতো বিদ্যালয়ৰ দৰে পুথিভঁৰাল গঢ়ি তুলিব পাৰি।
- আজি-কালি কম্পিউটাৰৰ সহায়ত ডিজিটেল পুথিভঁৰালৰ জৰিয়তে ঘৰতে বহি কিতাপ পঢ়িব পাৰি।

## চিকিৎসালয়-




— এনে ধৰণৰ অনুষ্ঠানলৈ তুমি কেতিয়াবা গৈছানে ?

— যদি গৈছা কিয় গৈছা ?

— এনেকুৱা অনুষ্ঠানলৈ মানুহ কিয় যায় ?

➢ ৰোগীসকলক চিকিৎসা কৰিবলৈ ইয়াত কোন কোন থাকে ? (দলত আলোচনা কৰি লিখা ।)

➢ তোমাৰ ঘৰৰ ওচৰত এনেধৰণৰ অনুষ্ঠান আছে যদি সেই বিষয়ে বৰ্ণনা কৰা ।

## জানি লওঁ আহা

- ৰোগীৰ চিকিৎসাৰ বাবে ঠায়ে ঠায়ে চৰকাৰে চিকিৎসালয় পাতি দিয়ে ।
- গৰু, ম'হ, কুকুৰ, হাঁহ, কুকুৰা আদিৰ চিকিৎসাৰ বাবেও পশু চিকিৎসালয় আছে ।
- নগৰবোৰত বেচৰকাৰী চিকিৎসালয়ো থাকে ।

## আৰক্ষী চকী



**এইখন কিহৰ ছবি ?**

— ছবিত দেখাৰ দৰে পোছাক পিন্ধা লোকক আমি কি বুলি কওঁ ?

— তেওঁলোকক কি কি কাম কৰা দেখিছা ?

— তোমাৰ ওচৰত এনেকুৱা অনুষ্ঠান আছেনে ?

— তেওঁলোকৰপৰা আমি কি কি কামত সহায় পাব পাৰোঁ ?


➢ তোমালোৰ ঘৰৰ ওচৰত থকা আৰক্ষী চকীটোৰ নাম কি ?


DAILY ASSAM

## জানি লওঁ আহা

আৰক্ষীৰ লোকে—

- দেশৰ শান্তি-শৃংখলা ৰক্ষা কৰে ।
- সমাজৰ অপকাৰ হ'ব পৰা কাম-কাজ কৰাত বাধা দিয়ে ।
- আলিবাটৰ যান-বাহন নিয়ন্ত্ৰণ কৰা আদি কামত সহায় কৰে ।





**ডাক-ঘৰ**

— ছবিত দেখা এই অনুষ্ঠানটোৰ নাম কি?

— ইয়াত কি কি কাম কৰা হয়?

— তুমি কেতিয়াবা ডাক-ঘৰলৈ গৈছানে?

➤ তোমাৰ ওচৰত থকা ডাক-ঘৰটোলৈ যোৱা আৰু তাত কি কি কাম হয় চোৱা।

**জানি লওঁ আহা-**


- ডাক-ঘৰৰ যোগেদি চিঠি-পত্ৰ অনা-নিয়া কৰা হয়।
- ডাক-ঘৰৰ যোগেদি টকা-পইচাৰ আদান-প্ৰদানো হয়।
- ডাক-ঘৰৰ চিঠি-পত্ৰ, টকা-পইচা আদি বিলোৱা মানুহজনক ডাকোৱাল (পিয়ন) বোলে।
- ডাক-ঘৰৰ সকলোবোৰ কাম চোৱা-চিতা কৰা মানুহজনক পোষ্টমাষ্টৰ বোলে।

**চিঠি লিখোঁ আহা-**

➤ এইবাৰ বিহুৰ বন্ধত তোমাৰ ঘৰলৈ নিমন্ত্ৰণ জনাই তোমাৰ বন্ধু-বান্ধৱীলৈ এখন চিঠি লিখা।

**ধৰ্মীয় অনুষ্ঠান**

DAILY ASSAM



ওপৰৰ ছবিকেইখন চাই উপাসনা গৃহবোৰৰ নাম কোৱা। কোনটো অনুষ্ঠানত কি ধৰ্মৰ মানুহে উপাসনা কৰে?

**জানি লওঁ আহা ঃ**

- ৰাজহুৱাভাৱে সকলোবোৰ আমাৰ ধৰ্মীয় কাম-কাজবোৰ এই অনুষ্ঠানবোৰত পালন কৰা হয়।

আমাৰ ঠাইত থকা সকলো অনুষ্ঠান-প্ৰতিষ্ঠান আমাৰ নিজৰ সম্পত্তি। এইবোৰ নষ্ট হ'লে আমাৰ সকলোৰে বহুত অসুবিধা হ'ব। এইবোৰ ভালে ৰখাৰ দায়িত্বও আমাৰেই।

**চিন্তা কৰি কোৱা—**

- শিক্ষানুষ্ঠান, আৰক্ষী চকী, চিকিৎসালয় আদি নাথাকিলে আমাৰ কি কি অসুবিধা হ'ব পাৰে?
- পুথিভঁৰালৰ কিতাপ-পত্ৰ নষ্ট হ'লে আমাৰ কি কি অসুবিধা হ'ব?
- এই অনুষ্ঠানবোৰ ভালে ৰাখিবলৈ আমি কি কৰা উচিত?

**ক্ষেত্ৰ ভ্ৰমণ কৰোঁ আহা -**

- শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে নিজৰ ঠাইখন চাবলৈ যোৱা। ঠাইখনত তলৰ তালিকাখনৰ কি কি দেখিলা তাত '✓' চিন দিয়া।

**অনুষ্ঠান-প্ৰতিষ্ঠান**

ডাক-ঘৰ

চিকিৎসালয়

আৰক্ষী চকী

পুথিভঁৰাল

নামঘৰ, মন্দিৰ, মছজিদ, গিৰ্জা, গুৰুদ্বাৰ

DAILY ASSAM

শিক্ষানুষ্ঠান

প্ৰাথমিক বিদ্যালয়

মজলীয়া বিদ্যালয়

উচ্চ মাধ্যমিক বিদ্যালয়

মহাবিদ্যালয়

- তোমাৰ বিদ্যালয়ৰ চৌহদটো এবাৰ ভালদৰে নিৰীক্ষণ কৰা। পৰিৱেশ দূষিত হ'ব পৰা কিবা কাৰক আছে নেকি বিচাৰি চোৱা। যদি আছে তলৰ তালিকা অনুসৰি নিজৰ বহীত লিখা।

| **পৰিৱেশ দূষিত হ'ব পৰা কাৰক** | **দূৰীকৰণৰ উপায়** |
|---|---|
| | |

# অনুশীলনী

১। উত্তৰ লিখা-

(ক) তোমাৰ বিদ্যালয়খনৰ নাম কি?

(খ) ডাক-ঘৰৰ চিঠি-পত্ৰ বিলোৱা মানুহজনক কি বোলে?

(গ) ৰোগীবিলাকক কোন প্ৰতিষ্ঠানত চিকিৎসা কৰা হয়?

(ঘ) চিকিৎসালয়ত ৰোগীৰ চিকিৎসাৰ বাবে কোন কোন থাকে?

২। তোমাৰ বিদ্যালয়ৰ ক্ষেত্ৰত তলত দিয়া বাক্যবোৰৰ, যিটো হয় সেইটোত '✓' চিন দিয়া।

(ক) বিদ্যালয়ত জাবৰ-জোঁথৰ, ফটা কাগজ আদি পেলোৱা ঠাই নিৰ্দিষ্ট কৰি দিয়া আছে/নাই।

(খ) শৌচ- প্ৰস্ৰাৱ কৰাৰ বাবে শৌচাগাৰ আৰু প্ৰস্ৰাৱঘৰ আছে/নাই।

(গ) খোৱাপানীৰ বাবে কুঁৱা/দমকল/পুখুৰী/নলী আছে/নাই।

(ঘ) আমি চৌহদত গছ-গছনি ৰোওঁ/ নোৰোওঁ।

(ঙ) বিদ্যালয়ৰ ঘৰৰ ভেটিটো ওখ/চাপৰ।

DAILY ASSAM

(চ) বিদ্যালয়ৰ ঘৰটো ৰ'দ পৰা/ জেকা লগা।

(ছ) পানী ওলাই যাবৰ বাবে নলা-নৰ্দমাৰ ব্যৱস্থা আছে/নাই।

৩। তলৰ খালী ঠাইত উপযুক্ত শব্দ বহুওৱা।

(ক) ডাক-ঘৰত চিঠি-পত্ৰৰ উপৰি ———— ৰ আদান-প্ৰদান হয়।

(খ) পশু-পক্ষীৰ চিকিৎসাৰ বাবে ———— চিকিৎসালয় থাকে।

(গ) চিকিৎসালয়ত ———— আৰু ———— ৰোগীৰ চিকিৎসা কৰে।

(ঘ) আৰক্ষীৰ লোকে দেশৰ ———— ৰক্ষাত সহায় কৰে।

৪। কাগজেৰে চিঠিৰ খাম এটা সাজি উলিওৱা।

◆◆◆◆◆